৩ পৃষ্ঠাত ৪ পৃষ্ঠাত


# অসম আদিত্য

...য়া ২৩৩ ■ ১১ ভাদ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ২৮ আগষ্ট, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, August 28, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ...


### কানৈ মহাবিদ্যালয়ত মানসিক স্বাস্থ্য সম্পৰ্কীয় সজাগতা সভা-বক্তৃতানুষ্ঠান

## চতুৰ্দিশৰ বাতাৱৰণ মানসিক সুস্থতাৰ সূচক ঃ ডাঃ ভূঞা

**ষ্টাফ ৰিপৰ্টাৰ, ২৭ আগষ্ট ঃ** মানসিক সুস্থতাৰ সূচক হৈছে ব্যক্তি নিজে আৰু চৰ্তুদিশৰ বাতাৱৰণ। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) নৈতিক শিক্ষা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত, দৰ্শন আৰু সংস্কৃত বিভাগৰ সহযোগত আয়োজন কৰা মানসিক স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু বক্তৃতানুষ্ঠানত সমলব্যক্তি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক তথা অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই আজি এইদৰে কয়। ডাঃ ভূঞাই কয়— ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ বাবে দৈনিক দিনপঞ্জীৰ সঠিক ৰূপায়ণ, পৰ্যাপ্ত টোপনি, উপযুক্ত খাদ্যাভ্যাসৰ লগতে সঠিক বিনোদনৰ অতি প্ৰয়োজন। ডাঃ ভূঞাই লগতে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন মানসিক চাপৰ কাৰকসমূহ নিবাৰণ আৰু প্ৰতিৰোধ কৰাৰ কৌশলসমূহ বিভিন্ন সাধুকথাৰ মাজেৰে বুজাই দিয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মহাবিদ্যালয়ৰ নৈতিক শিক্ষা অধ্যয়ন কেন্দ্ৰই লোৱা এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে কেন্দ্ৰটোৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয়ৰ নৈতিক শিক্ষা অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড০ মৌচুমী হাজৰিকাই আঁত ধৰা অনুষ্ঠানটিত উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড০ মৃদুল শৰ্মাই। অনুষ্ঠানত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে নৈতিক শিক্ষা অধ্যয়ন কেন্দ্ৰৰ সদস্যা তথা সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়াই। উল্লেখ্য যে অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগ, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ আই চি জি পি চি আৰু কম্পিউটাৰ ছাইঞ্চ বিভাগৰ যৌথ উদ্যোগত ২৮ আগষ্টত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষক 'ছাইবাৰ চিকিউৰিটি কেপাচিটি বিল্ডিং' শীৰ্ষক এক কৰ্মশালা অনুষ্ঠিত হ'ব।

